ৰমাজানৰ এদিন বা দুদিন আগত ৰোজা নাৰাখিবা, কিন্তু যিয়ে একেলেঠাৰিয়ে ৰোজা ৰাখি আছে সি ৰাখিব পাৰে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ৰমাজানৰ এদিন বা দুদিন আগত ৰোজা নাৰাখিবা, কিন্তু যিয়ে একেলেঠাৰিয়ে ৰোজা ৰাখি আছে সি ৰাখিব পাৰে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

সাৱধানতাৰ দুহাই দি ৰমাজান মাহৰ এদিন অথবা দুদিন আগৰ পৰা ৰোজা ৰাখিবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধ কৰিছে। কাৰণ ৰমাজানৰ ৰোজাৰ সম্পৰ্ক হৈছে নতুন জোন দেখাৰ সৈতে জৰিত। ইয়াৰ বাবে কৃত্ৰিমতাৰ কোনো প্ৰয়োজন নাই। কিন্তু যদি কোনোবাই এনেকৈ অভ্যস্ত থাকে যে, তেওঁ এদিন ৰোজা ৰাখে এদিন এৰি দিয়ে, অথবা যদি কোনোবাই সোমবাৰ আৰু বৃহস্পতিবাৰৰ ৰোজা নিয়মীয়াকৈ ৰাখে, তেনেকুৱা লোকে যদি এনেকুৱা বাৰৰ সন্মুখীন হয় তেন্তে কোনো অসুবিধা নাই, ৰোজা ৰাখিব পাৰে। ৰমাজানক আঁদৰিবলৈ কোনো ৰোজা নাই। এইদৰে যদি কোনোবাই এইদিনবোৰত কাজা ৰোজা কৰে অথবা মান্নতৰ ৰোজা কৰে তেন্তে কৰিব পাৰে, তাত কোনো অসুবিধা নাই।

https://sunnah.global/hadeeth/as/show/4508